**17-03-2026** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**“মৰমৰ সন্তানসকল – তোমালোক সঁচা সত্য পিতাৰ পৰা সত্য কথা শুনি নৰৰ পৰা নাৰায়ণ হোৱা, তোমালোকৰ 21 জন্মৰ কাৰণে বেহদৰ পিতাৰ পৰা উত্তৰাধিকাৰ প্ৰাপ্ত হৈ যায়”**

প্ৰশ্ন: পিতাৰ কোনটো আজ্ঞা পালন কৰোঁতা সন্তানসকলহে পাৰসবুদ্ধিৰ হয়?

উত্তৰ: পিতাৰ আজ্ঞা হৈছে - দেহৰ সকলো সম্বন্ধ পাহৰি পিতা আৰু বাদশ্বাহীক স্মৰণ কৰা। এয়াই সৎগতিৰ কাৰণে সৎগুৰুৰ শ্ৰীমত। যিয়ে এই শ্ৰীমত পালন কৰে অৰ্থাৎ দেহী-অভিমানী হয় তেৱেঁই পাৰসবুদ্ধিৰ হয়।

গীত: আজ অন্ধেৰে মে হম ইন্সান…… (আমি মনুষ্য আজি অন্ধকাৰত.....)

ওঁম্ শান্তি। এইখন কলিযুগী সৃষ্টি। সকলো অন্ধকাৰত আছে, এইখন ভাৰতেই আলোকত আছিল যেতিয়া এইখন ভাৰত স্বৰ্গ আছিল। এই ভাৰতবাসীয়েই যিসকলে এতিয়া নিজক হিন্দু বুলি কয়, এওঁলোক আচলতে দেৱী-দেৱতা আছিল। ভাৰতবাসী স্বৰ্গবাসী আছিল। যেতিয়া কোনো ধৰ্ম নাছিল, এটাই ধৰ্ম আছিল। ‘স্বৰ্গ’, ‘বৈকুণ্ঠ’, ‘বহিষ্ঠ’, ‘হেভেন’ এই সকলোবোৰ ভাৰতৰ নাম আছিল। ভাৰত প্ৰাচীন পৱিত্ৰ বহুত ধনৱান আছিল। এতিয়াতো ভাৰত কঙাল কিয়নো এতিয়া কলিযুগী। সেয়া সত্যযুগ আছিল। তোমালোক সকলো হৈছা ভাৰতবাসী। তোমালোকে জানা আমি অন্ধকাৰত আছোঁ যেতিয়া স্বৰ্গত আছিলোঁ তেতিয়া আলোকত আছিলোঁ। স্বৰ্গৰ ৰাজ-ৰাজেশ্বৰ (ৰজা), ৰাজ-ৰাজেশ্বৰী (ৰাণী) লক্ষ্মী-নাৰায়ণ আছিল। সেইখনক সুখধাম বুলি কোৱা হয়। নতুন নতুন আহিলে পিতাই তেতিয়া বুজায়। পিতাৰ পৰাহে তোমালোকে স্বৰ্গৰ উত্তৰাধিকাৰ ল'ব লাগে, যাক জীৱনমুক্তি বুলি কোৱা হয়। এতিয়া সকলো জীৱন বন্ধনত আছে। বিশেষকৈ ভাৰত আৰু সাধাৰণভাৱে গোটেই জগত, ৰাৱণৰ কাৰাগাৰত শোকৰ বাগিচাত আছে। এনেকুৱা নহয় যে ৰাৱণ কেৱল লংকাত আছিল আৰু ৰাম ভাৰতত আছিল আৰু তেওঁ আহি সীতাক হৰণ কৰিলে। এই সকলোবোৰ হৈছে মনেসজা কথা। ‘গীতা’ হৈছে মুখ্য, সকলো শাস্ত্ৰৰ ভিতৰত শিৰোমণি শ্ৰীমত অৰ্থাৎ ভগৱানে শুনোৱা গীতা। মনুষ্যইতো কাৰো সৎগতি কৰিব নোৱাৰে। সত্যযুগত আছিল জীৱনমুক্ত দেৱী-দেৱতাসকল, যিসকলে এই উত্তৰাধিকাৰ কলিযুগৰ অন্তত পাইছিল। ভাৰতে এয়া গম নাপায় আৰু কোনো শাস্ত্ৰতো নাই। শাস্ত্ৰতো সকলো হৈছে ভক্তিমাৰ্গৰ কাৰণে। সেই সকলোবোৰ হৈছে ভক্তিমাৰ্গৰ জ্ঞান। সৎগতি মাৰ্গৰ জ্ঞান মনুষ্য মাত্ৰৰে নাই। পিতাই কয় - মনুষ্য, মনুষ্যৰ গুৰু হ'ব নোৱাৰে। গুৰুৱে কোনো সৎগতি দিব নোৱাৰে। সেই গুৰুৱে ক'ব - ভক্তি কৰা, দান পুণ্য কৰা। ভক্তি দ্বাপৰৰ পৰা প্ৰচলিত হৈ আহিছে। সত্যযুগ ত্ৰেতাত হৈছে জ্ঞানৰ প্ৰালব্ধ। এনেকুৱা নহয় যে তাৰ পৰাই এই জ্ঞান চলি আহিছে। এয়া যি উত্তৰাধিকাৰ ভাৰতৰ আছিল, এয়া পিতাৰ পৰা সংগমত পাইছিল। যি পুনৰ এতিয়া তোমালোকে পাই আছা। ভাৰতবাসী, নৰকবাসী মহান দুখী হৈ যায় তেতিয়া আহ্বান জনায় হে পতিত-পাৱন দুখহৰ্তা সুখকৰ্তা, কাৰ? সকলোৰে, কিয়নো বিশেষকৈ ভাৰত আৰু সাধাৰণভাৱে গোটেই জগতত 5 বিকাৰ আছেই। পিতা হৈছে পতিত-পাৱন। পিতাই কয় - মই কল্পই কল্পই, কল্পৰ সংগমত আহোঁ আৰু সকলোৰে সৎগতি দাতা হওঁ। অবলাসকলৰ, অহল্যাসকলৰ, গণিকাসকলৰ আৰু গুৰুলোক যিসকল আছে তেওঁলোকৰো উদ্ধাৰ মই কৰিব লাগে কিয়নো এইখনতো হৈছেই পতিত সৃষ্টি। পাৱন সৃষ্টি সত্যযুগক কোৱা হয়। ভাৰতত এই লক্ষ্মী-নাৰায়ণৰ ৰাজ্য আছিল। ভাৰতবাসীয়ে এইটো নাজানে যে এওঁলোক স্বৰ্গৰ মালিক আছিল। পতিত খণ্ড মানে মিথ্যাখণ্ড, পাৱন খণ্ড মানে সত্যখণ্ড। ভাৰত পাৱন খণ্ড আছিল। এই লক্ষ্মী-নাৰায়ণৰ সূৰ্যবংশী ৰাজবংশ আছিল। এই ভাৰত হৈছে অবিনাশী খণ্ড, যাৰ কেতিয়াও বিনাশ নহয়। যেতিয়া এওঁলোকৰ ৰাজ্য আছিল তেতিয়া অন্য কোনো খণ্ড নাছিল। সেই সকলোবোৰ পাছত আহে। শাস্ত্ৰত সকলোতকৈ ডাঙৰ ভুলতো এইটো যে কল্পৰ আয়ুস লাখ লাখ বছৰৰ বুলি লিখি দিছে। পিতাই কয় যে কল্পও লাখ লাখ বছৰৰ নহয় আৰু সত্যযুগো লাখ লাখ বছৰৰ নহয়। কল্পৰ আয়ুস 5 হাজাৰ বছৰ। এওঁলোকে আকৌ কৈ দিয়ে যে মনুষ্যই 84 লাখ জন্ম লয়। মনুষ্যক কুকুৰ-মেকুৰী আদি কৰি দিলে। কিন্তু সিহঁতৰ জন্ম বেলেগ। 84 লাখ ভিন্নতা আছে। মনুষ্যৰ ভিন্নতা এটাই, তেওঁলোকৰহে 84 জন্ম হয়।

পিতাই কয় - সন্তানসকল তোমালোক আদি সনাতন দেৱী-দেৱতা ধৰ্মৰ আছিলা। ভাৰতবাসীয়ে নিজৰ ধৰ্মক ড্ৰামাৰ পৰিকল্পনা অনুসৰি পাহৰি গৈছে। কলিযুগৰ অন্তত একেবাৰে পতিত হৈ গ'ল। পুনৰ পিতা আহি সংগমত পাৱন কৰি তোলে, ইয়াক কোৱা হয় দুখধাম। পুনৰ সুখধামত ভূমিকা পালন কৰিব। পিতাই কয় - হে সন্তানসকল, তোমালোক ভাৰতবাসীহে স্বৰ্গবাসী আছিলা। পুনৰ তোমালোক 84 জন্মৰ ছিৰি নামি আহা। সতোৰ পৰা ৰজো, তমোত নিশ্চয় আহিব লাগে। তোমালোক দেৱতাসকলৰ সমান ধনৱান, সৰ্বদা সুখী, সৰ্বদা স্বাস্থ্যৱান কোনো নহয়। ভাৰত কিমান চহকী

আছিল। হীৰা-অলংকাৰতো ডাঙৰ ডাঙৰ পাথৰ সদৃশ আছিল, কিমানতো ভাঙি গ'ল। পিতাই তোমালোক সন্তানসকলক সোঁৱৰাই দিয়ে যে তোমালোকক কিমান চহকী কৰি তুলিছিলোঁ। তোমালোক সৰ্বগুণ সম্পন্ন, 16 কলা সম্পূৰ্ণ আছিলা। যেনেকুৱা ৰজা ৰাণী তেনেকুৱা প্ৰজা..... এওঁলোকক ভগৱান-ভগৱতী বুলিও ক'ব পাৰি। কিন্তু পিতাই বুজাইছে যে ভগৱান এজন, তেওঁ পিতা হয়। কেৱল ঈশ্বৰ বা প্ৰভু বুলি ক'লেও স্মৃতিলৈ নাহে যে তেওঁ সকলো আত্মাৰ পিতা। এওঁতো হৈছে বেহদৰ পিতা। তেওঁলোকে বুজায় যে ভাৰতবাসী তোমালোকে জয়ন্তী পালন কৰা কিন্তু আচলতে পিতা কেতিয়া আহিছিল, সেইটো কোনেও নাজানে। হয়েই লৌহ যুগ, পাথৰ বুদ্ধি। পাৰসনাথ আছিল, এই সময়ত পাথৰনাথ। নাথ বুলিও কোৱা নহয় কিয়নো ৰজা-ৰাণীতো নাই। প্ৰথমে ইয়াত দৈৱী ৰাজস্থান আছিল পুনৰ আসুৰি ৰাজ্য হৈ যায়। এয়া হৈছে খেল। সেয়া হৈছে হদৰ ড্ৰামা। এয়া হৈছে বেহদৰ ড্ৰামা। বিশ্বৰ ইতিহাস-ভূগোল আদিৰ পৰা অন্তলৈকে তোমালোকে এতিয়া জানা আৰু কোনেও নাজানে। ভাৰতত যেতিয়া দেৱী-দেৱতা আছিল তেতিয়া গোটেই সৃষ্টিৰ মালিক আছিল আৰু ভাৰততে আছিল। পিতাই ভাৰতবাসীক সোঁৱৰাই দিয়ে। সত্যযুগত আদি সনাতন দেৱী-দেৱতা, এওঁলোকৰ শ্ৰেষ্ঠ ধৰ্ম, শ্ৰেষ্ঠ কৰ্ম আছিল পুনৰ 84 জন্মত অৱনমিত হ'বলগীয়া হয়। এয়া পিতাই বহি কাহিনী শুনায় যে এতিয়া তোমালোকৰ বহুত জন্মৰ অন্তৰ জন্ম। এজনৰ কথা নহয়। যুদ্ধক্ষেত্ৰ আদিও নাই। ভাৰতবাসীয়ে এইটো পাহৰি গ'ল যে এওঁলোকৰ (লক্ষ্মী-নাৰায়ণৰ) ৰাজ্য আছিল। সত্যযুগৰ আয়ুস দীঘলীয়া কৰাৰ কাৰণে বহুত দূৰলৈ লৈ গ'ল।

পিতাই বুজায় যে মনুষ্যক ভগৱান বুলি কোৱা নহয়। মনুষ্যই, মনুষ্যৰ সংগতি কৰিব নোৱাৰে। প্ৰবাদ আছে যে সকলোৰে সংগতি দাতা পতিতক পাৱন কৰ্তা এজন। এয়া হৈছে মিথ্যাখণ্ড। সত্য বাবা হৈছে সত্যখণ্ড স্থাপন কৰোঁতা। ভক্তসকলে পূজা কৰে কিন্তু ভক্তিমাৰ্গত যাৰেই পূজা কৰি আহিছে, এজনৰো জীৱন বৃত্তান্ত নাজানে। শিৱ জয়ন্তীতো পালন কৰে। পিতা হৈছে নতুন সৃষ্টিৰ ৰচয়িতা। স্বৰ্গীয় ঈশ্বৰ পিতা। বেহদৰ সুখ দিওঁতা। সত্যযুগত সুখ আছিল। সেয়া কেনেকৈ আৰু কোনে স্থাপন কৰিলে? নৰকবাসীক স্বৰ্গবাসী কৰি তুলিলে। ভ্ৰষ্টাচাৰীসকলক শ্ৰেষ্ঠাচাৰী দেৱতা কৰি তুলিলে। এয়াতো পিতাৰহে কাম। তোমালোক সন্তানসকলক পাৱন কৰি তোলোঁ। তোমালোক স্বৰ্গৰ মালিক হোৱা। পুনৰ তোমালোকক পতিত কোনে কৰে? এই ৰাৱণে। মনুষ্যই কৈ দিয়ে - সুখ-দুখ ঈশ্বৰে দিয়ে। পিতাই কয় - মইতো সকলোকে সুখ দিওঁ। আধাকল্প আকৌ তোমালোকে পিতাক স্মৰণ নকৰিবা পুনৰ যেতিয়া ৰাৱণৰাজ্য হয় তেতিয়া সকলোৰে পূজা কৰিবলৈ ধৰে। এয়া তোমালোকৰ বহুত জন্মৰ অন্তৰ জন্ম। কয় বাবা আমি কিমান জন্ম ল'লোঁ? পিতাই কয়- সন্তানসকল, তোমালোকে নিজৰ জন্মৰ বিষয়ে নাজানা। তোমালোকে সম্পূৰ্ণ 84 জন্ম ল'লা। তোমালোক 21 জন্মৰ কাৰণে বেহদৰ পিতাৰ পৰা উত্তৰাধিকাৰ ল'বলৈ আহিছা অৰ্থাৎ সঁচা সত্য বাবাৰ পৰা সত্য কথা, নৰৰ পৰা নাৰায়ণ হোৱাৰ জ্ঞান শুনা। এয়া হৈছে জ্ঞান, সেয়া হৈছে ভক্তি। এই আধ্যাত্মিক জ্ঞান পৰম আত্মা আহি দিয়ে। সন্তানসকল দেহী-অভিমানী হ'ব লাগে। নিজক আত্মা বুলি নিশ্চয় কৰি মামেকম্ স্মৰণ কৰা। শিৱবাবাতো সকলো আত্মাৰে পিতা হয়। আত্মাসকল সকলো পৰমধামৰ পৰা শৰীৰত ভূমিকা পালন কৰিবলৈ আহে। ইয়াক কৰ্মক্ষেত্ৰ বুলি কোৱা হয়। বহুত ডাঙৰ খেল হয়। আত্মাত বেয়া বা ভাল সংস্কাৰ থাকে। যি অনুসৰি মনুষ্যই ভাল বা বেয়া জন্ম পায়। এওঁলোক যি পাৱন আছিল, এতিয়া পতিত, ততত্বম্ (তোমালোকৰ ক্ষেত্ৰতো তেনেকুৱাই)। মই পিতা এই আনৰ ৰাৱণৰ সৃষ্টিত, পতিত শৰীৰত আহিবলগীয়া হয়। আহিবও লাগে তেওঁৰ শৰীৰত যি প্ৰথম নম্বৰত যাব লাগে। সূৰ্যবংশীয়েহে সম্পূৰ্ণ 84 জন্ম লয়। এয়া হৈছে ব্ৰহ্মা আৰু ব্ৰাহ্মণ। পিতাই নিতৌ বুজায়, কিন্তু পাথৰবুদ্ধিক পাৰসবুদ্ধিৰ কৰি তোলাতো ইমান উজু নহয়। হে আত্মাসকল এতিয়া দেহী-অভিমানী হোৱা, হে আত্মাসকল এজন পিতাক স্মৰণ কৰা আৰু বাদশ্বাহীক স্মৰণ কৰা। দেহৰ সম্বন্ধবোৰ ত্যাগ কৰা তেতিয়া পাৰসবুদ্ধিৰ হৈ যাবা। মৰিবতো সকলোৱে লাগিব। সকলোৰে এতিয়া বানপ্ৰস্থ অৱস্থা। এজন সৎগুৰু অবিহনে সকলোৰে সংগতি দাতা কোনো হ'ব নোৱাৰে। পিতাই কয় - হে ভাৰতবাসী সন্তানসকল তোমালোক প্ৰথমে পাৰসবুদ্ধিৰ আছিলা। গায়ন কৰা হৈছে যে আত্মা পৰমাত্মা বিচ্ছিন্ন হৈ থাকিল বহুকাল...... গতিকে পোন-প্ৰথমে তোমালোক ভাৰতবাসী দেৱী-দেৱতা ধৰ্মৰসকল আহিছা অন্য ধৰ্মৰসকল পাছত আহিছে তেন্তে তেওঁলোকৰ জন্মও কম হয়। গোটেই সৃষ্টি ৰূপী বৃক্ষই কেনেকৈ পৰিক্ৰমা লগায় সেয়া পিতাই বহি বুজায়। যিসকলে ধাৰণা কৰিব পাৰে, তেওঁলোকৰ কাৰণে বহুত সহজ। আত্মাই ধাৰণ কৰে। পুণ্য আত্মা আৰু পাপ আত্মাতো আত্মাই হয়। এয়া তোমালোকৰ অন্তিম 84তম জন্ম। তোমালোক বানপ্ৰস্থ অৱস্থাত আছা। বানপ্ৰস্থ অৱস্থাৰ লোকসকল মন্ত্ৰ ল'বৰ কাৰণে গুৰুৰ শৰণাপন্ন হয়। তোমালোকে এতিয়া বাহিৰৰ মনুষ্যক গুৰু ভজিব নালাগে। তোমালোক সকলোৰে মই পিতা, শিক্ষক, সৎগুৰু হওঁ। মোক কয়েই - হে পতিত-পাৱন শিৱবাবা। এতিয়া স্মৃতি উদয় হৈছে, সকলো আত্মাৰ এওঁ পিতা। আত্মা সত্য, চৈতন্য কিয়নো অমৰ হয়। সকলো আত্মাতে ভূমিকা নিহিত হৈ আছে। পিতাও সত্য চৈতন্য। তেওঁ মনুষ্য সৃষ্টিৰ বীজৰূপ হোৱাৰ কাৰণে কয় যে মই গোটেই বৃক্ষৰ আদি-মধ্য-অন্তক জানো, সেয়েহে মোক জ্ঞানপূৰ্ণ বুলি কোৱা হয়। তোমালোকৰো গোটেই জ্ঞান আছে যে বীজৰ পৰা বৃক্ষ কেনেকৈ ওলায়। বৃক্ষ বৃদ্ধি হ'বলৈতো সময় লাগে। পিতাই কয় যে মই বীজৰূপ হওঁ। অন্তিমত গোটেই

বৃক্ষই জৰ্জৰিত অৱস্থা পায়। এতিয়া চোৱা দেৱী-দেৱতা ধৰ্মৰ আধাৰ নাই। প্ৰায় লোপ হৈ গ'ল। যেতিয়া দেৱী-দেৱতা ধৰ্ম লুপ্ত হৈ যায় তেতিয়া পিতা আহিবলগীয়া হয়। এটা ধৰ্মৰ প্ৰতিষ্ঠা কৰি বাকী সকলোৰে বিনাশ কৰাই দিয়ে। প্ৰজাপিতা ব্ৰহ্মাৰ দ্বাৰা আদি সনাতন দেৱী-দেৱতা ধৰ্ম প্ৰতিষ্ঠা কৰাই আছে। তোমালোক আহিছা ভ্ৰষ্টাচাৰীৰ পৰা শ্ৰেষ্ঠাচাৰী দেৱতা হ'বলৈ। এই ড্ৰামাখন ৰচি থোৱা আছে, ইয়াৰ অন্ত নপৰে। পিতা আহে। আত্মাসকল সকলো ভাই ভাই, মূললোকত থাকোঁতা। সেই এজন পিতাক সকলোৱে স্মৰণ কৰে। দুখত সকলোৱে স্মৰণ কৰে সুখত কোনেও নকৰে........ ৰাৱণৰাজ্যত হৈছে দুখ। ইয়াত স্মৰণ কৰে গতিকে পিতা সকলোৰে সৎগতি দাতা এজন। তেওঁৰ মহিমা আছে। পিতা নাহিলে তেন্তে পাৱন কোনে কৰিব। খ্ৰীষ্টান, ইছলামী আদি যিসকল মনুষ্য আছে এই সময়ত সকলো তমোপ্ৰধান। সকলোৱে পুনৰ্জন্ম নিশ্চয় ল'ব লাগে। এতিয়া নৰকত পুনৰ্জন্ম পায়। এনেকুৱা নহয় যে সুখত গুচি যায়। যেনেকৈ হিন্দু ধৰ্মৰ লোকসকলে কয় যে স্বৰ্গবাসী হ'ল তেন্তে নিশ্চয় নৰকত আছিল নহয়। এতিয়া স্বৰ্গলৈ গ'ল, তোমালোকৰ মুখত গোলাপ (সেয়াই হওক)। যিহেতু স্বৰ্গবাসী হ'ল তেন্তে আকৌ তেওঁক নৰকৰ আসুৰি বৈভৱ কিয় খুওৱা! মৃতকৰ আত্মাক পিণ্ড খুৱায় নহয়। বেংগলত মাছ, কণী আদি খুৱায়। হেৰ', তেওঁৰ (মৃতকৰ আত্মাই) এই সকলোবোৰ খোৱাৰ দৰকাৰ কি! কোনো উভতি যাব নোৱাৰে। যিহেতু প্ৰথম নম্বৰৰসকলেই 84 জন্ম ল'বলগীয়া হয়। এই জ্ঞানত কোনো কষ্ট নাই। ভক্তিমাৰ্গত কিমান পৰিশ্ৰম হয়। ৰাম ৰাম জপ কৰি কৰি শিহৰিত হৈ যায়। এই সকলোবোৰ হৈছে ভক্তিমাৰ্গ। এই সূৰ্য চন্দ্ৰ আদি আলোকিত কৰোঁতা হয়, এইবোৰ জানো দেৱতা। বাস্তৱত জ্ঞান সূৰ্য, জ্ঞান চন্দ্ৰমা আৰু জ্ঞান তৰা ইয়াৰহে মহিমা। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) এই অন্তিম 84তম জন্মত কোনো পাপ কৰ্ম (বিকৰ্ম) কৰিব নালাগে। পুণ্য আত্মা হ'বৰ কাৰণে পূৰা পূৰা পুৰুষাৰ্থ কৰিব লাগে। সম্পূৰ্ণ পাৱন হ'ব লাগে।

(2) নিজৰ বুদ্ধি পাৰসবুদ্ধিৰ কৰিবৰ কাৰণে দেহৰ সকলো সম্বন্ধ পাহৰি দেহী-অভিমানী হোৱাৰ অভ্যাস কৰিব লাগে।

বৰদান: পুৰণি সংস্কাৰ বা বিঘিনিৰ পৰা মুক্তি প্ৰাপ্ত কৰোঁতা সদায় শক্তি সম্পন্ন হোৱা

যদি কোনো ধৰণৰ বিঘিনিৰ পৰা, দুৰ্বলতা বা পুৰণি সংস্কাৰৰ পৰা মুক্তি বিচৰা তেন্তে শক্তি ধাৰণ কৰা অৰ্থাৎ অলংকাৰী ৰূপ ধাৰণ কৰি থাকা। যিসকল সদায় অলংকাৰেৰে সজ্জিত হৈ থাকে, তেওঁলোক ভৱিষ্যতে বিষ্ণুবংশী হয় আৰু এতিয়া বৈষ্ণৱ হৈ যায়। তেওঁলোকক কোনো ধৰণৰ তমোগুণী সংকল্প বা সংস্কাৰে স্পৰ্শ কৰিব নোৱাৰে। তেওঁলোকে পুৰণি জগত অথবা জগতৰ কোনো বস্তু আৰু ব্যক্তিৰ পৰা সহজেই কাষৰীয়া হৈ যায়, তেওঁলোকক কাৰণে-অকাৰণে কোনেও স্পৰ্শ (প্ৰভাৱিত) কৰিব নোৱাৰে।

শ্লোগান: সকলো সময়ত আৰু প্ৰতিটো কৰ্মত সন্তুলন বজাই ৰখাটোৱে সকলোৰে আশীৰ্বাদ প্ৰাপ্ত কৰাৰ সাধন।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত: নিশ্চয়তাৰ ভেটী মজবুত কৰি সদায় নিৰ্ভয় আৰু নিশ্চিন্ত হৈ থাকা

যেনেকৈ পৰস্পৰ দুজন মিত্ৰ হ'লে তেওঁলোকৰ মাজত যদি কোনোবা গ্লানি কৰিবলৈ আহে তেতিয়া আনজনে তেওঁৰ ভাৱ সলনি কৰি দিয়ে। য'ত নিশ্চয়তা থাকে, ত'ত শব্দৰ ভাৱ সলনি হৈ এক সাধাৰণ কথা হৈ যায়। গতিকে প্ৰত্যেকৰে বিশেষত্বক চোৱা, তেতিয়া অনেক হোৱা সত্বেও সকলোকে এক যেন লাগিব। একমত সংগঠন গঢ়ি উঠিব। যদি কোনোবাই কাৰোবাৰ গ্লানিৰ কথা শুনায় তেন্তে তেওঁক সমৰ্থন কৰাৰ পৰিৱৰ্তে শুনাওঁতাজনৰ ৰূপ পৰিৱৰ্তন কৰি দিয়া।

[বি:দ্ৰ: - প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]